# Telephone conversation between PM and President of Indonesia

April 28, 2020

# প্ৰধানমন্ত্ৰী আৰু ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতিৰ মাজত টেলিফোন যোগে বাৰ্তালাপ

এপ্ৰিল 28, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোজীয়ে আজি ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি মহামহিম জ'ক' উইদ'দ'ৰ সৈতে টেলিফোন যোগে বাৰ্তালাপ কৰে।

দুয়োগৰাকী নেতাই অঞ্চলটোত তথা বিশ্বত সংক্ৰমিত হোৱা ক'ভিড-19 মহামাৰীৰ বিষয়ে মত বিনিময় কৰে।

ইণ্ডোনেছিয়ালৈ ফাৰ্মাছিউটিকেল সামগ্ৰীৰ যোগানত ভাৰত চৰকাৰে আগবঢ়োৱা সাহাৰ্যৰ বাবে ৰাষ্ট্ৰপতি গৰাকীয়ে ধন্যবাদ জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰীয়ে তেওঁক দুয়োখন দেশৰ মাজত চিকিত্সা সামগ্ৰীৰ যোগান অক্ষুণ্ন কথাৰ বাবে ভাৰতৰ তৰফৰ পৰা যথাসম্ভৱ প্ৰয়াস কৰা হব বুলি আশ্বাস দিয়ে।

দুয়োগৰাকী নেতাই পৰস্পৰৰ দেশত থকা নিজৰ নাগৰিকসকলৰ সমস্যাৰ বিষয়ে আলোকপাত কৰি এই সমস্যা সমাধানৰ বিষয়ে আলোচনা কৰে।

প্ৰধানমন্ত্ৰীয়ে কয় যে ইণ্ডোনেছিয়া ভাৰতৰ বিস্তাৰিত চুবুৰীয়াৰ এক গুৰুত্বপূৰ্ণ সামুদ্ৰিক অংশীদাৰ, আৰু দ্বিপাক্ষিক সম্পৰ্কৰ দৃঢ়তাই দুয়োখন দেশক এই মহামাৰীৰ বিৰুদ্ধে যুঁজত সহায় কৰিছে।

প্ৰধানমন্ত্ৰীয়ে ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি উইদ'দ' আৰু ইণ্ডোনেছিয়াৰ জনসাধাৰণক পৱিত্ৰ ৰমজান মাহৰ শুভেচ্ছা জনায়।

**নতুন দিল্লী**
**এপ্ৰিল 28, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.